# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-06-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

শক্তিপীঠ কামাখ্যা ধামলৈ প্ৰস্তাৱিত ক'ৰিডৰ নিৰ্মাণ সন্দৰ্ভত আজি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। জিলা আয়ুক্ত, চক্ৰ বিষয়া, কামাখ্যা মন্দিৰৰ দুগৰাকী দলৈ আৰু স্থানীয় ৰাইজৰ প্ৰতিনিধিক লৈ এই বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কামাখ্যা ধামৰ উন্নয়নৰ আৰু যাত্ৰীৰ সা-সুবিধা বৃদ্ধিৰ সন্দৰ্ভতো আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে সমাগত অম্বুবাচী মেলাৰ প্ৰস্তুতিও পৰ্যালোচনা কৰে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত এইদৰে কয়—

**বাইট (জয়ন্ত মল্লবৰুৱা)**

উল্লেখযোগ্য যে শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

০০০

তেজপুৰৰ লিচুৰ উৎপাদন বৃদ্ধিৰ বাবে কৃষকসকলক উৎসাহিত কৰাৰ লগতে স্প্ৰেয়াৰ ক্ৰয়ৰ বাবে কৃষকসকললৈ ৫২ লাখ টকা পৰ্যন্ত আৰ্থিক সাহায্য প্ৰদানৰ পৰিকল্পনা লোৱা হৈছে। আজি সাংসদ ৰণজিৎ দত্তই তেজপুৰত দুদিনীয়াকৈ অনুষ্ঠিত লিচু উৎসৱত অংশ লৈ এই বিষয়ে প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত থাকি তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভাই লিচু উৎপাদন বৃদ্ধিৰ বাবে ঘৰে ঘৰে লিচু আঁচনি গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। ইয়াৰ অধীনত তেজপুৰৰ ১০ হাজাৰ পৰিয়ালৰ মাজত ২০ হাজাৰ উন্নত জাতৰ গছপুলি ৰোপণ কৰা হ'ব বুলি তেওঁ কয়। উল্লেখযোগ্য যে তেজপুৰত আজিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে দ্বিতীয় বাৰ্ষিক তেজপুৰ লিচু উৎসৱ অনুষ্ঠিত হৈছে। তেজপুৰৰ বিশ্ববিখ্যাত লিচুক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জনপ্ৰিয় কৰিবলৈ আৰু নতুন প্ৰজন্মক লিচু খেতি কৰাৰ বাবে উৎসাহিত কৰিবলৈ এই উৎসৱৰ আয়োজন কৰা হৈছে। শোণিতপুৰ জিলা প্ৰশাসনে ভৌগোলিক স্বীকৃতি লাভ কৰা তেজপুৰৰ সুস্বাদু লিচু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উপহাৰ হিচাপে প্ৰেৰণ কৰিছে। প্ৰধানমন্ত্ৰীলৈ জিলা প্ৰশাসনে প্ৰেৰণ কৰা এই বিশেষ উপহাৰে তেজপুৰৰ লিচুক ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক জনপ্ৰিয় কৰাৰ লগতে ইয়াৰ লগত জড়িত কৃষকসকলক উৎসাহিত কৰিব বুলি আশা কৰা হৈছে। আজি উৎসৱ উপলক্ষে ডাক বিভাগৰ অসম চক্ৰৰ মুখ্য ডাকপালে প্ৰকাশ কৰা এটা স্মাৰক ডাক কভাৰ আৰু ড০ ভূপেন

শইকীয়াৰ সম্পাদনাত প্ৰকাশিত এখন স্মৰণিকা উন্মোচন কৰা হয়। অনুষ্ঠানত ১০ গৰাকী বচা বচা লিচু উৎপাদকক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ সৈতে মত বিনিময় কৰা হয়।

০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামকাম উপ আৰক্ষী চকীৰ অন্তৰ্গত চজং অঞ্চলত আজি বিয়লি সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন যুৱক থিতাতে নিহত হয়। ৩ জন আৰোহী কঢ়িয়াই অনা এখন তীব্ৰবেগী দুচকীয়া বাহনে নিয়ন্ত্ৰণ হেৰুৱাই এখন ডাম্পাৰত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। নিহত যুৱক দুজন চিন্তু চাংমা আৰু বিশাল চাংমা বুলি চিনাক্ত কৰা হৈছে। আনহাতে অভি মাৰাক নামৰ আনজন যুৱকক উন্নত চিকিৎসাৰ বাবে হোজাইলৈ প্ৰেৰণ কৰা হৈছে।

০০০

চিৰাং জিলাৰ ঢালিগাঁৱৰ বঙাইগাঁও শোধনাগাৰে প্ৰতিষ্ঠানটোৰ সামাজিক দায়বদ্ধতা কাৰ্যসূচীৰ অধীনত আজি চিৰাং আৰু কোকৰাঝাৰ জিলাৰ স্বাস্থ্য খণ্ডত সুবিধা হোৱাকৈ এম্বুলেন্সকে ধৰি বিভিন্ন সামগ্ৰী প্ৰদান কৰে। তেওঁলোকে ৪ কোটি ৬০ লাখ টকা মূল্যৰ সামগ্ৰী স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে প্ৰদান কৰে। এই উপলক্ষে বঙাইগাঁও শোধনাগাৰ সভাকক্ষত আয়োজিত অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে অংশ লৈ শোধনাগাৰৰ এই পদক্ষেপৰ শলাগ লয়। অনুষ্ঠানত বঙাইগাঁও শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক তথা মুৰববী নয়ন কুমাৰ বৰুৱা, কেইবাগৰাকী উচ্চ পদস্থ বিষয়া আৰু বিটিচি স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৱ হাছাত বসুমতাৰী উপস্থিত থাকে।

০০০

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত বনৰীয়া হাতীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা দুজন লোকৰ পৰিয়াললৈ ৰাজ্য চৰকাৰে তাৎক্ষণিকভাৱে আৰ্থিক সাহায্য প্ৰদান কৰিছে। অলপতে বনৰীয়া হাতীৰ আক্ৰমণত নিহত বগাজুলি কুমগুৰিৰ কৰ্টেং মুছাহাৰী আৰু আঙাৰকাটা শিমলিবাৰী গাঁৱৰ পাউলোচ বসুমতাৰীৰ বাসগৃহত বিটিচিৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰী আৰু বন বিভাগৰ এটা উচ্চস্তৰীয় দল উপস্থিত হৈ পৰিয়াল দুটাক সমবেদনা জ্ঞাপন কৰে। লগতে চৰকাৰী নিয়ম অনুসৰি ৪ লাখ টকাকৈ এককালীন ক্ষতিপূৰণৰ চেক প্ৰদান কৰে। ইপিনে অঞ্চলটোত উপদ্ৰৱ চলাই থকা বনৰীয়া হাতীটোক কিদৰে বিভাগীয় প্ৰক্ৰিয়াৰে শীঘ্ৰে স্থানান্তৰ কৰিব পাৰি সেই সন্দৰ্ভত বন বিভাগৰ সৈতে উপাধ্যক্ষগৰাকী আলোচনাত মিলিত হয়।

০০০

ঃঃ সমাপ্ত ঃঃ